# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 18-01-2026**

**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত নতুন দুৱাৰমুখ হিচাপে উদ্ভাসিত হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। উত্তৰ-পূবক দেশৰ বাকী অংশৰ সৈতে উন্নয়নৰ পথত সমানে আগবঢ়াই নিয়াৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে গ্ৰহণ কৰা লক্ষ্যৰ বিষয়েও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কাজিৰঙা এলিভেটেড কৰিড'ৰ প্ৰকল্প আৰু ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ চাৰিশৰীয়া পথৰ উন্নীতকৰণৰ বাবে অনুষ্ঠিত ভূমিপূজনত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি অংশগ্ৰহণ কৰে। এই উপলক্ষে কলিয়াবৰৰ মৌচন্দা পথাৰত আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁ কয়, যে অসম উন্নতিৰ পথত আগবাঢ়িলে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেই উন্নতিৰ পথত আগবাঢ়িব আৰু উত্তৰ-পূৰ্বাঞ্চল আগবাঢ়িলে সামগ্ৰিকভাৱে ভাৰতবৰ্ষৰ উন্নয়ন সাধন সম্ভৱ হ'ব। ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওপৰেৰে নিৰ্মাণ কৰিবলগীয়া ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰ আৰু কলিয়াবৰৰ পৰা নুমলীগড়লৈ হ'বলগীয়া চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে বিজেপি চৰকাৰে অসমৰ আন্তঃগাঁথনিৰ উন্নয়নক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ইয়াৰ ফলত অঞ্চলটোৰ বাবে নতুন নতুন সুযোগ আৰু দীৰ্ঘকালীন উন্নয়নৰ পথ প্ৰশস্ত হ'ব বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে অৰ্থনীতি আৰু পৰিবেশতন্ত্ৰ দুয়োবিধ একে সময়তে একেলগে আগবাঢ়ি যাব পাৰে আৰু এই দুয়োবিধৰ মাজত সংঘাত হ'ব পাৰে বুলি তেওঁ বিশ্বাস নকৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে অসমৰ উন্নয়নৰ ক্ষেত্ৰত পূৰ্বৰ কংগ্ৰেছ চৰকাৰে নিস্ক্ৰিয় ভূমিকা গ্ৰহণ কৰা বুলি দলটোক সমালোচনা কৰি ভাৰতীয় জনতা পাৰ্টী সম্প্ৰতি দেশবাসীৰ একমাত্ৰ ভাৰসা হৈ উঠা বুলিও উল্লেখ কৰে। কাজিৰঙাক দেশৰ জৈৱ বৈচিত্ৰ্যৰ অমূল্য ৰত্ন বুলিও তেওঁ অভিহিত কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে কাজিৰঙা কেৱল মাত্ৰ ৰাষ্ট্ৰীয় উদ্যান নহয়, কাজিৰঙা অসমৰ আত্মা। কাজিৰঙাৰ বন্যপ্ৰাণীক ৰক্ষা কৰি অসমৰ ভৱিষ্যত প্ৰজন্মক সুৰক্ষিত কৰাটো চৰকাৰৰ দায়িত্ব বুলিও তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰীয় উদ্যানখনত গঁড় হত্যা ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপক প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে।

বাইট (পি এম)

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰ সভাত বৃহৎ সংখ্যক লোক সমবেত হোৱা বুলি উল্লেখ কৰি ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ শলাগ লয়। ৰাজ্যখনৰ উন্নয়নৰ বাবে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো আজি ভাৰ্চুৱেল ব্যৱস্থাৰে শুভাৰম্ভণি কৰে। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমক ৰে'ল বাজেটত ১০ হাজাৰ কোটি টকা দিয়া বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

আজিৰে পৰা অহা ২৪ জানুৱাৰীলৈ দুলিয়াজানত ৰাষ্ট্ৰীয় গ্ৰন্থমেলাৰ সপ্তদশ সংস্কৰণ আৰম্ভ হৈছে। দুলিয়াজান সাহিত্য সভাৰ সভাপতি তথা গ্ৰন্থমেলা পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ড০ অজিত শইকীয়াই পতাকা উত্তোলন কৰে। বিয়লি উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ মুকুল চন্দ্ৰ বৰাই গ্ৰন্থমেলাৰ দ্বাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। সন্ধিয়া গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অণু শইকীয়াৰ শিশু গ্ৰন্থ **আইতাৰ একুঁকি সাধু,** ৰীণা বিশ্বাসৰ গল্প সংকলন **গল্পৰ মূৰৰ কথা** উন্মোচন কৰা হয়।

ooooo

সংগীত নাটক একাডেমী বঁটাপ্ৰাপক বিশিষ্ট বেহেলা শিল্পী মিনতি খাউণ্ডৰ আজি সন্ধিয়া গুৱাহাটীৰ এখন চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। আকাশবাণীৰ বি-হাই গ্ৰেড শিল্পী মিনতি খাউণ্ড শাস্ত্ৰীয় সংগীতৰ অন্যতম গুৰুৰূপে সমগ্ৰ দেশতে পৰিচিত আছিল। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ অসম লোকসেৱা আয়োগৰ সদস্য পৱিত্ৰ ৰাম খাউণ্ড আৰু কন্যা বিশিষ্ট বেহেলা শিল্পী সুনীতা খাউণ্ড ভূঞাক এৰি থৈ যায়। কাইলৈ নৱগ্ৰহ শ্মশানত মিনতি খাউণ্ডৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

ooooo

**ঃঃ সমাপ্ত ঃঃ**